# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-NOV-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
————————————————————————

কৃষিমন্ত্ৰী অতুল বৰাই আজি নতুন দিল্লীত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানক সাক্ষাৎ কৰি ৰাজ্যখনত ৰূপায়িত হৈ থকা কেন্দ্ৰীয় আঁচনিসমূহৰ অগ্ৰগতি সন্দৰ্ভত মন্ত্ৰীগৰাকীক অৱগত কৰে। তেওঁ লগতে ৰাজ্যখনৰ কৃষকসকলৰ জীৱন ধাৰণৰ মান উন্নীত কৰি অসমৰ কৃষিভিত্তিক অৰ্থনীতি সুদৃঢ় কৰাৰ ক্ষেত্ৰত এই আঁচনিসমূহে কিধৰণে সহায় কৰিছে সেই বিষয়ে আলোচনা কৰে। এই আলোচনাত ৰাজ্যৰ কৃষি খণ্ডৰ সৰ্বাংগীণ বিকাশ আৰু কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ পথ প্ৰশস্ত কৰাৰ সন্দৰ্ভতো আলোচনা কৰা হয়। মন্ত্ৰী শ্ৰীবৰাই অসমৰ লগতে দেশৰ  কৃষিখণ্ডৰ আমুল পৰিৱৰ্তনৰ ক্ষেত্ৰত মন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লোৱাৰ উপৰি ভৱিষ্যতেও ৰাজ্যখনক সহযোগিতা আগবঢ়াই যাব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে ৰাজ্যৰ পৰিশ্ৰমিক কৃষক সমাজৰ সামগ্ৰিক কল্যাণ আৰু মৰ্যাদাপূৰ্ণ জীৱন সুনিশ্চিত কৰাৰ বাবে বদ্ধপৰিকৰ বুলিও উল্লেখ কৰে।

০০০০০

জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সোণাপুৰৰ পাটৰকুছিত নৱনিৰ্মিত 'সোণোৱাল ভৱন' উদ্বোধন কৰে। ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ অধীনত সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদে ৭ কোটি ৩ লাখ টকা ব্যয় সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰি উলিয়াইছে। চাৰিমহলীয়া এই ভৱনটো সোণোৱাল কছাৰী সমাজৰ ভাষা, সাহিত্য, সংস্কৃতিকে ধৰি সামগ্ৰিক কল্যাণ সাধনৰ বাবে ব্যৱহৃত হ'ব। এই ভৱনে জনগোষ্ঠীটোৰ লোকসকল তথা ছাত্ৰ-ছাত্ৰীসকলক বিশেষকৈ উপকৃত কৰিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত ভৈয়াম জনজাতি  আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডা০ ৰণোজ পেগু, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱালকে ধৰি পৰিষদৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যত স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে কাইলৈ শিক্ষা বিভাগত ৮ হাজাৰৰো অধিক প্ৰাৰ্থীক নিযুক্ত পত্ৰ প্ৰদান কৰা হ'ব। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত কাইলৈ বিয়লি এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। অনুষ্ঠানত উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ২৫২ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ বিতৰণৰ উপৰি ৬২ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ২৭৫ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ৬ হাজাৰ ৫২২ গৰাকী স্নাতক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ২৮ গৰাকী প্ৰবক্তা আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০

মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰত ৩৭২ বছৰীয়া পৰম্পৰা অটুট ৰাখি আজিৰে পৰা পাল-নাম মহোৎসৱৰ আয়োজন কৰা হৈছে। মাজুলীৰ এই অন্যতম আধ্যাত্মিক আৰু সাংস্কৃতিক উৎসৱ উপলক্ষে অগণন ভকত-বৈষ্ণৱৰ আগমন হৈছে। প্ৰতিবছৰে কাতি মাহৰ শেষৰ পাঁচটা দিনত উদযাপন কৰা এই পালনামলৈ দেশৰ লগতে বিদেশৰো ভক্তৰ আগমন হয়। সত্ৰৰ ভকত-বৈষ্ণৱসকলে আজি প্ৰথমদিনা নাম-ভাগৱত প্ৰতিষ্ঠা কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। চাৰিওহাটীৰ ভকতসকলে দৈনিক পাল পাতি নাম লোৱাৰ লগতে দিহা নাম, নটুৱা আদি পৰিৱেশন কৰি মূল নামঘৰত ভকত বৈষ্ণৱসকলে পাল পাতি নাম পৰিৱেশন কৰিছে। আজি পুৱা নাম প্ৰসংগৰ পাছতে পশ্চিমহাটীৰ বৈষ্ণৱসকলে আৰু পুৱহাটীৰ বৈষ্ণৱসকলে নাম ডাকে। এই নামতে ভক্তসকলে মনৰ অভিলাষ অনুসৰি ধূপ-ধূনা, বন্তি, লোন আদি আগবঢ়াই সেৱা লয়। এই মহোৎসৱৰ সন্দৰ্ভত এয়া মাজুলীৰ পৰা আমাৰ সংবাদদাতা বিকাশ শইকীয়াঃ

**বাইট**

০০০০০

ধেমাজি জিলাৰ ছটা উন্নয়ন খণ্ডৰ অধীনৰ গাওঁ পঞ্চায়তসমূহত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত নিয়োজিত ঠিকাভিত্তিক কৰ্মচাৰীসকলে তেওঁলোকৰ কেইবাটাও দাবীৰ সমৰ্থনত কালিৰে পৰা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। চাকৰিৰ স্থায়ীত্ব ষাঠী বছৰ বয়সলৈকে নিশ্চিত কৰা, ৩০ হাজাৰ টকালৈ দৰমহা বৃদ্ধি কৰা, আৰু বছৰি ১০ শতাংশ দৰমহা বৃদ্ধিৰ দাবীত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। ড

০০০০০

সমাপ্ত